ক'ৰবাত শিক্ষয়িত্ৰী কাম কৰে। কলনিটোত তেওঁৰ বেচ সন্মান।" ছাৰ্টিফিকেটখন দি উঠি ৰাহুলে সুধিলে—"কিয় সুধিছেনো তেওঁৰ কথা?"

"নাই, এনেয়ে, ইয়াত লগ পাইছিলোঁ।" অন্তৰৰ কোনোবাখিনিত কিবা এটাই খোঁচ মাৰি দিয়া যেন লাগিল। লিফটেৰে তললৈ নামি আহোঁতে হাতৰ ঘড়ীটোলৈ চালোঁ। এওঁ আৰু নীলাঞ্জনা আহিবলৈ এতিয়াও প্ৰায় এঘণ্টা বাকী। নিৰ্দিষ্ট কোঠাটো পাই চাৰিওফালে চালোঁ। মৃণাল কটকী নাই। মহিলাগৰাকী আৰু ল'ৰাটো আছে। কিবা প্ৰকাৰৰ এক স্বস্তি অনুভৱ কৰিলোঁ। অলপ বাহিৰলৈ গৈ ইফাল সিফাল কৰি পুনৰাই সেই নিৰ্দিষ্ট কোঠাটোলৈ উভতি আহিলোঁ। মৃণাল কটকীক এইবাৰো দেখা নাপালোঁ। আগতে বহা শাৰীটোৰপৰা কেইশাৰীমান পিছত বহি চকু দিলোঁ ইতিমধ্যেই চালু কৰি দিয়া টিভিটোৰ পৰ্দাখনলৈ।

অন্তিমটো পদোন্নতিৰ মাৰফৎ মই বদলি হৈছিলোঁ দিছপুৰলৈ। বিভাগীয় চৰকাৰী বাসগৃহ পালেও মোৰ পৰিয়াল নাতিদূৰৈৰ সেই চহৰখনতেই আছিল। ময়ো সিদ্ধান্ত লৈছিলোঁ যে অৱসৰৰ পাছত সেই চহৰখনতেই জীৱনৰ বাকী কালছোৱা কটাম, গুৱাহাটীত নাথাকোঁ। কাৰণ সেই চহৰখনেও ইতিমধ্যেই শ্বপিং মল, নতুন নতুন গাড়ীৰ শ্ব'ৰুম, ডিলাৰ, নাৰ্ছিহোম, কোচিং ছেণ্টাৰ, ব্ৰেণ্ডেড কাপোৰ, জোতাৰ দোকান, প্ৰাইভেট স্কুল, কলেজ আদিৰে সুসজ্জিত হৈ আপাতদৃষ্টিত এখন উন্নত নগৰলৈ ৰূপান্তৰিত হৈছিল। ৰাস্তা-ঘাট উন্নত নহ'লেও বৰষুণৰ পানীয়ে ফেৰ মাৰিব পৰা হৈছিল গুৱাহাটী মহানগৰীৰ লগত। মা-দেউতা ঢুকোৱাৰ পাছত মূল ঘৰত আছিল পৰিয়াল সহিতে সৰু ভাইটো। মোৰ তলৰ ভাইটোৱে থিতাপি লৈছিল গুৱাহাটীত। ল'ৰা গৌতম পঢ়াশুনাত মজলীয়া আছিল যদিও ছোৱালী ৰত্না আছিল পঢ়াশুনাত চোকা। উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হোৱাৰ পাছত ল'ৰাটোক নাম লগাই দিছিলোঁ দক্ষিণ ভাৰতৰ এখন ব্যক্তিগত অভিযান্ত্ৰিক মহাবিদ্যালয়ত। ৰত্নাই নিজৰ যোগ্যতাৰ ভিত্তিতেই গৈ গৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা নৰ্মছসহ ইংৰাজী সাহিত্যৰ স্নাতকোত্তৰ হৈ ওলাইছিল।

দিছপুৰলৈ বদলি হৈ অহাৰ আগতেই ল'ৰা গৌতমৰ পঢ়াৰ সমাপ্ত ঘটিছিল। নগদ তেৰ লাখ উৎকোচৰ বিনিময়ত তালৈ বান নিয়ন্ত্ৰণ বিভাগত এটা সহকাৰী অভিযন্তাৰ পদ কিনিছিলোঁ। মোৰ খুলশালি সঞ্জয়ো আছিল সেইটো বিভাগতেই আৰু দেউতাক সনাতন দাস আৰু ভিনিহিয়েক অৰ্থাৎ মোৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ বিভাগটোত সি এটা স্বকীয় ইমেজ গঢ়ি তুলিবলৈ সক্ষম হৈছিল। সেই সুবাদতে একেটা বিভাগতেই নিয়োজিত হৈ মোৰ ল'ৰা গৌতমেও আৰম্ভণিৰপৰাই পাইছিল এটা সুবিধাজনক স্থিতি, মোমায়েক সঞ্জয় দাসৰ আশিসপুষ্ট হৈ। অভিজ্ঞতাৰপৰাই মই তাৰ তাৎক্ষণিক উন্নতিৰ আভাস পাইছিলোঁ। মই নামমাত্ৰ আৰম্ভ কৰা গীতানগৰৰ ঘৰটো চাকৰিত যোগদানৰ তিনি বছৰৰ ভিতৰতেই সি সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছিল।

আনহাতে ছোৱালী ৰত্না—বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতেই তাইৰ হিয়া দিয়া নিয়া আৰম্ভ হৈছিল তাতেই গৱেষণাৰত বঙাইগাঁৱৰ ফালৰ ল'ৰা এটাৰ লগত; ল'ৰাজনৰ বিষয় আছিল পদাৰ্থ বিজ্ঞান। ৰত্নাৰ এম এ শেষ নৌহওঁতেই তাৰ নিযুক্তি হৈছিল গুৱাহাটীৰ এখন কলেজত, প্ৰবক্তা হিচাপে, স্থায়ী পদত। সেয়েহে তাই পাছ কৰি ওলাই অহাৰ পাছত বিয়াৰ কথা ওলাওঁতে আমাৰ আপত্তি কৰিবলগীয়া একো নাছিল। উচ্চ জাতৰ বুলি ল'ৰাটোৰ ঘৰত অলপ আপত্তি হ'লেও পাছলৈ তাৰ সমাধান হৈছিল। মোৰ চাকৰি দুবছৰ থাকোঁতেই সিহঁতৰ বিয়াখন হৈছিল। ছোৱালীয়ে বিয়াৰ পাছত ছয়গাঁৱৰ ফালৰ কোনোবা এখন কলেজত চাকৰি এটা পাইছিল। শিক্ষক হোৱা হেতুকে সিহঁতৰ কাৰণে উৎকোচৰ ৰাস্তা প্ৰশস্ত নাছিল। সেয়েহে ওপৰঞ্চি অৰ্জনৰ কাৰণে শহুৰ হিচাপে মই সিহঁতক উদগনি দিছিলোঁ টিউশ্যন কৰিবলৈ। শহুৰৰ কথা সাৰোগত কৰি জোঁৱায়ে আৰু পাছলৈ ছোৱালীয়েও টিউশ্যনক লাহে লাহে প্ৰাধান্য দিবলৈ লৈছিল। ফলত সিহঁতেও ককায়েক গৌতম আৰু মোমায়েক সঞ্জয়ৰ লগত সমানে সমানে ফেৰ মাৰিব পৰা অৱস্থালৈ আহি গৈছিল।

ঘপহকৈ চকুত পৰিল মূল দুৱাৰখন খুলি মৃণাল কটকী ভিতৰলৈ সোমাই আহিছে। চকু ঘূৰাব খোজোঁতেই ঈষৎ হাঁহি এটা মাৰি তেওঁ আগবাঢ়ি আহিল মই বহি থকা শাৰীটোলৈ আৰু মোক সন্তুষ্ট কৰি তেওঁ বহি পৰিল মোৰ কাষৰ চকীখনত।

"নাৰ্ছিংহোমটো বেচ ভালেই দেখিছোঁ। সা-সুবিধাও প্ৰায় গোটেইখিনি আছে, বিভাগসমূহৰ ডাক্তৰকেইজনো বেচ নাম কৰা। প্ৰথম আহিছোঁ মই ইয়ালৈ।" কটকীয়ে মোক উদ্দেশি কথাকেইশাৰী ক'লে।

"হয়, বেচ ভাল, আচলতে মালিকজন ইয়াৰেই অৰিজিনেল। মেডিছিনৰ বৰ ভাল ডাক্তৰ। ইচ্ছা কৰা হ'লে গুৱাহাটীতেই এনেকুৱা নাৰ্ছিংহোম খুলিব পাৰিলেহেঁতেন। কিন্তু তেওঁ ইয়াতেই এইখন ডাঙৰকৈ সাজিলে। ভালেই হৈছে আমাৰ এই অঞ্চলৰ স্থানীয় মানুহখিনিৰ।" —মোৰ উত্তৰ।

"হয়, হয়, বৰ ভাল হৈছে। আপোনাৰ ঘৰ বোধহয় ইয়াতে?"

"হয়, জনকপুৰত।" কথা পাতিছোঁ যদিও মোৰ কিন্তু দীঘলীয়া কৰাৰ ইচ্ছা নাই। কটকীৰ ফালৰপৰাহে যেন তাৰ এটা পূৰ্বাভাস পালোঁ। মনটোত আকৌ এবাৰ অসুবিধাজনক অৱস্থিতি অনুভৱ কৰিলোঁ।

"কোনোবা আছে ইয়াত?" আহি গ'ল পাশুপত প্ৰশ্নৰ লেখীয়া মই পৰিত্যাগ কৰিব খোজা সেই প্ৰশ্নটো মৃণাল কটকীৰপৰা।

"মোৰ ল'ৰাটো আছে। আই ছি ইউত।"

"অ'স স'! কিবা অসুখ?"

"অসুখ নহয়, দুৰ্ঘটনা এটা ঘটিল। সেয়েহে, অৱশ্যে এতিয়া ভাল পাইছে। বোধহয় অহা সোমবাৰে ঘৰলৈ যাবলৈ দিব। ডাক্তৰে কৈছে।" কটকীক ক'লোঁ।

"কিমান ডাঙৰ ল'ৰাজন?"

"ডাঙৰেই। বিয়া-বাৰু হৈছে। সৰু নাতি এটাও আছে। সি চাকৰি কৰে, থাকেও গুৱাহাটীতেই। কিন্তু মই আৰু মাক ইয়াতেই থাকোঁ আৰু ইয়াতে চা-চিনাকিও যথেষ্ট কাৰণে এইখন নাৰ্ছিংহোমলৈকে লৈ আনিলোঁ।" কটকীয়ে ইমানতে অন্ত কৰিলে ভাল আছিল। মোৰ মনৰ ভাব।

"আচ্ছা, আচ্ছা। নক'ব আৰু দুৰ্ঘটনাৰ সংখ্যা আজিকালি দিনক দিনে বাঢ়ি যাবলৈ ধৰিছে। গাড়ী-মটৰো ঢেৰ হৈছে। নিজে সাৱধান হ'লেও আনে আপোনাক খুন্দিয়াই থৈ যোৱাৰ অনেক সম্ভাৱনা।"

"দেউতা"—সৰু ল'ৰাটোৱে দূৰৈৰপৰা কটকীক উদ্দেশি মতা যেন পালোঁ।

"আপুনি বহকচোন দেই, মই আহি আছোঁ।" কটকী উঠি গ'ল।

মহিলাগৰাকীৰ লগত কিবা কথা পাতিলে, তিনিওজন উঠি আহিল আৰু মোক আশ্বস্ত কৰি কটকীয়ে মাত লগালে।

"বৰুৱা দা, আপুনি থাকক। এওঁৰ পৰীক্ষাটো শেষ হ'ল কিজানি—হ'লেই আমি যামগৈ। পাছলৈ নিশ্চয়কৈ লগ পাম। বজাৰ-সমাৰ ক'ৰবাত।"

আকৌ আহক মোৰ নিজৰ পৃথিৱীখনলৈ। গৌতম, গৌতম বৰুৱা বান নিয়ন্ত্ৰণ বিভাগৰ সহকাৰী অভিযন্তা। বিভাগটোৰ জৰিয়তে তাৰ অৰ্থনৈতিক উন্নতিৰ কথা ইতিমধ্যেই উল্লেখ কৰিছোঁ। মোৰ চাকৰিৰ অৱসৰলৈ ছমাহমান থাকোঁতেই তাৰো বিয়াখন ধুমধামেৰে পাতি